জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ৩০৬/২০২২**

## ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ মহাৰজত জয়ন্তী মহোৎসৱৰ সামৰণি অনুষ্ঠানত অংশগ্ৰহণ কৰিলে মুখ্যমন্ত্ৰীয়ে

## ঐতিহ্যমণ্ডিত এই শিক্ষা প্ৰতিষ্ঠানখনত অত্যাধুনিক শীত-তাপ নিয়ন্ত্ৰিত প্ৰেক্ষাগৃহ নিৰ্মাণৰ বাবে ৫ কোটি টকাৰ অনুদান ঘোষণা

## মাইজান মথাউৰিৰ ভগ্ন অংশৰ মেৰামতিৰ বুজ ল'লে মুখ্যমন্ত্ৰীয়ে

## জিলা উপায়ুক্ত কাৰ্যালয়ত ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ প্ৰতিমূৰ্তি উন্মোচন কৰিলে মুখ্যমন্ত্ৰীয়ে

## চৌকিডিঙ্গী খেলপথাৰত 'অসম টি গ'ল্ডেন কাপ' ফুটবল প্ৰতিযোগিতা উদ্বোধন কৰে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ১৬ অক্টোবৰ ঃ** দিনজোৰা কাৰ্যসূচীৰে আজি ডিব্ৰুগড়ত উপস্থিত হৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ডিব্ৰুগড়ৰ হনুমানবক্স সুৰুজমল কানৈ মহাবিদ্যালয়ৰ মহাৰজত জয়ন্তী মহোৎসৱৰ সামৰণি অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। এই ভ্ৰমণকালত মুখ্যমন্ত্ৰীয়ে মাইজান এলেকা খহনীয়া ক্ষতিগ্ৰস্ত এলেকা পৰিদৰ্শন কৰাৰ লগতে জিলা উপায়ুক্ত কাৰ্যালয় চৌহদত ড° ভূপেন হাজৰিকাৰ প্ৰতিমূৰ্তি উন্মোচন কৰে। মুখ্যমন্ত্ৰীয়ে লগতে চৌকিডিঙ্গী খেলপথাৰত 'অসম টি গ'ল্ডেন কাপ' ফুটবল প্ৰতিযোগিতাখনো উদ্বোধন কৰে।

ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ মহাৰজত জয়ন্তী মহোৎসৱৰ সামৰণি অনুষ্ঠান উপলক্ষে আয়োজিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই ৰাজ্যৰ শিক্ষা জগতৰ বিকাশৰ দিশত উল্লেখযোগ্য অৰিহণা আগবঢ়োৱা শিক্ষানুষ্ঠানসমূহৰ ভিতৰত অন্যতম বুলি অভিহিত কৰে। এই মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক উপাধ্যক্ষ তথা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰথম ৰেক্টৰ প্ৰয়াত ড° লক্ষীপ্ৰসাদ দত্তই জনসাধাৰণৰ মাজত শিক্ষাৰ প্ৰসাৰৰ দিশত আগবঢ়োৱা অৱদানৰ বিষয়েও মুখ্যমন্ত্ৰীয়ে স্মৰণ কৰে। মুখ্যমন্ত্ৰীয়ে শিক্ষাবিদগৰাকীৰ সমাজৰ প্ৰতি থকা নিঃস্বাৰ্থ সেৱাৰ মনোভাৱৰো প্ৰশংসা কৰে। মুখ্যমন্ত্ৰীয়ে ১৯৬৫ চনত 'পদ্মশ্ৰী' উপাধিৰে সন্মানিত হোৱা হনুমানবক্স কানৈৰ প্ৰতিও গভীৰ শ্ৰদ্ধা নিবেদন কৰে। তেওঁ কয় যে এইগৰাকী ব্যক্তিৰ আশা-সুধীয়া প্ৰয়াসৰ ফলত এই মহাবিদ্যালয়খন গঢ় লৈ উঠিছিল। তেওঁৰ জীৱন আৰু

কৰ্মৰাজি অনুপ্ৰেৰণাৰ উৎস বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল, উচ্চতম ন্যায়ালয়ৰ প্ৰাক্তন ন্যায়াধীশ বি এল হাস্গাৰিয়া আৰু অন্যান্য বিশিষ্ট প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে সমাজৰ উন্নতি আৰু জাতি গঠনৰ প্ৰক্ৰিয়াৰ দিশত অপৰিসীম অৱদান আগবঢ়োৱা ব্যক্তিৰ সৃষ্টিৰ দিশত শিক্ষানুষ্ঠানখনে লোৱা ভূমিকাৰো প্ৰশংসা কৰে।

মুখ্যমন্ত্ৰীয়ে প্ৰাচীন ভাৰতীয় শিক্ষা ব্যৱস্থাৰ গুণগত মানৰ ওপৰত আলোকপাত কৰি তক্ষশীলা, নালন্দা, বিক্ৰমশীলা আদি বিশ্ববিদ্যালয়ে শৈক্ষিক বিকাশৰ দিশত আগবঢ়োৱা ভূমিকাৰ বিষয়ে বক্তব্য আগবঢ়ায়। শিক্ষা, সংস্কৃতি আৰু সভ্যতাৰ জন্মভূমি ভাৰতবৰ্ষ। ইতিহাসে ঢুকি নোপোৱা কালৰে পৰা ভাৰতত শিক্ষাৰ বিকাশ ঘটি আহিছে আৰু শিক্ষাই জনসমাজত সৰ্ব্বোচ্চ স্থান অধিকাৰ কৰি আহিছে বুলি উল্লেখ কৰি তেওঁ কয় যে ভাৰতীয়সকলে মোক্ষ লাভেৰে শিক্ষাৰমূল লক্ষ্য বুলি মানি লৈছে। তেওঁ কয় যে প্ৰাচীন পৰম্পৰাই মোক্ষ লাভৰ পথ কৰ্ম, জ্ঞান আৰু ভক্তিৰ যোগেদি প্ৰদৰ্শন কৰিছে। ধৰ্ম, অৰ্থ আৰু কৰ্ম এই তিনি প্ৰকাৰৰ সাধনাইহে সনাতন ধৰ্মৰ শিক্ষাত অগ্ৰাধিকাৰ লাভ কৰিছে বুলিও তেওঁ কয়।

মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰাচীন ভাৰত আছিল সভ্যতা আৰু শিক্ষাৰ প্ৰাণকেন্দ্ৰ। মুখ্যমন্ত্ৰীয়ে কয় যে শিক্ষা পূৰাতন কালৰ পৰা ভাৰতীয় চেতনাৰ অবিচ্ছেদ্য অংগ। শিক্ষা আৰু সংস্কৃতি ভাৰতীয় সভ্যতাৰ দুটা প্ৰাণদায়িনী স্ৰোত। তেওঁ কয় যে ইউৰোপীয় শক্তিয়ে প্ৰায় ২০০ বছৰ ধৰি আধিপত্য চলোৱাৰ পাছতো ভাৰতভূমিৰ প্ৰাচীন সংস্কৃতি এই দেশত আজিও অক্ষত হৈ আছে।

২০১৪ চনত নৰেন্দ্ৰ মোদীয়ে প্ৰধানমন্ত্ৰীৰ দায়িত্ব লোৱাৰ পিছৰে পৰা বিজ্ঞান আৰু প্ৰযুক্তিৰ ক্ষেত্ৰখনত এক আমূল পৰিৱৰ্তন সম্ভৱপৰ হৈ উঠিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে কৃত্ৰিম বুদ্ধিমত্তাৰ পৰা জৈৱ চিকিৎসালয় প্ৰযুক্তিৰ নানা দিশত ভাৰতবৰ্ষই অহা দুটা দশকত উন্নতিৰ পৰাকাষ্ঠাত উপনীত হ'ব। আগন্তুক সময়ছোৱাত শিক্ষা, শক্তি আৰু স্বাস্থ্য খণ্ডত ভাৰতক সৰ্বাধিক গুৰুত্ব আৰোপ কৰা হ'ব বুলি উল্লেখ কৰি অহা দশক কেইটাত উদ্যোগ খণ্ডত কেইবাটাও ক্ষেত্ৰত আৰু বিশেষকৈ উদ্ভাৱন আৰু ষ্টাৰ্টআপৰ ক্ষেত্ৰখনত ভাৰতবৰ্ষই এক গোলকীয় শক্তি হৈ জিলিকি উঠিব। মুখ্যমন্ত্ৰীয়ে কয় যে আমেৰিকা আৰু চীনৰ পিছতে ভাৰত হৈ পৰিছে সৰ্বাধিক বৈজ্ঞানিক গৱেষণা পত্ৰ প্ৰকাশ কৰা তৃতীয়খন দেশ। নাচাৰ তুলনাত এক দশমাংশ ব্যয়ৰে আৰু সম্পূৰ্ণ একক প্ৰচেষ্টাৰে মংগল গ্ৰহত উপনীত হোৱা ভাৰত হৈছে বিশ্বৰ প্ৰথমখন দেশ। ভাৰতীয় মহাকাশ গৱেষণা প্ৰতিষ্ঠানে একেটা ৰকেটৰ সহায়তে ১০৪ টা কৃত্ৰিম উপগ্ৰহ প্ৰক্ষেপণ কৰি এক বিৰল অভিলেখ স্থাপন কৰিছে। ডিজিটেলাইজেশ্যনৰ, ডিচেনট্ৰেলাইজেশ্যন আৰু ডিকাৰ্বনাইজেশ্যন যে অহা দশক কেইটাত ভাৰতৰ বিকাশ সৌধৰ অন্যতম স্তম্ভ হৈ পৰিব সি নিশ্চিত বুলিও তেওঁ কয়।

মুখ্যমন্ত্ৰীয়ে কয় যে ডিজিটেল ক্ষেত্ৰখনত ভাৰতৰ বিকাশৰ হাৰ বিশ্বৰ অন্যান্য প্ৰান্ততকৈ দহগুণ অধিক। তেওঁ কয় যে দেশ চতুৰ্থ উদ্যোগ বিপ্লৱৰ দিশে ধাৱিত হৈছে। ভাৰতে নিজা প্ৰযুক্তিৰে ৫ জি সেৱা আবিষ্কাৰ কৰিলে বুলিও তেওঁ কয়। বিকেন্দ্ৰীকৃত বিভিন্ন সৰু-বৰ উদ্যোগত অধিক মাত্ৰাত সামগ্ৰী প্ৰস্তুত কৰাটো সহজ হৈ পৰিব। কাৰ্বন নিৰ্গমন হ্ৰাস কৰাটো অতিশয় গুৰুত্বপূৰ্ণ

# জনসংযোগ, অসম
## মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
## প্ৰেছ বাৰ্তা

বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে সৌৰশক্তি এক অন্যতম সম্ভাৱনীয়তাপূৰ্ণ খণ্ড হৈ পৰিছে। জীৱ বিজ্ঞানৰ ক্ষেত্ৰত বিষাণু প্ৰতিৰোধী উদ্ভিদ আৰু শেলুৰৈৰ বিকাশ ঘটাই কাৰ্বন ফুটপ্ৰিণ্ট হ্ৰাস কৰাৰ প্ৰযুক্তি ভাৰতত জনপ্ৰিয় হ'বলৈ আগবাঢ়িছে বুলিও তেওঁ কয়। এই ক্ষেত্ৰত বিদ্যালয়খনৰ অধ্যাপক আৰু শিক্ষাৰ্থীসকলক আলোচনা চক্ৰ আদি আয়োজন কৰিবলৈ মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। তেওঁ কয় যে যোগাসনৰ সমান্তৰালভাৱে বিশ্বত সমানে প্ৰসাৰিত হৈছে বেদান্ত, আয়ুৰ্বেদ, সংস্কৃতি, ভাৰতীয় সংগীত, নৃত্য কলা আৰু স্থাপত্য বিদ্যা। পুৰণি আৰু নতুনৰ আলোকপাত উদ্ভাষিত আত্মনিৰ্ভৰশীল ভাৰতত অসমৰ স্থান সুনিশ্চিত কৰিবলৈ মহাবিদ্যালয়খনৰ পৰাই যাত্ৰা আৰম্ভ কৰিবলৈও তেওঁ আহ্বান জনায়।

মুখ্যমন্ত্ৰীয়ে ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক আৱেগক গঠনমূলক উদ্দেশ্যত ব্যৱহাৰ কৰিবলৈ আহ্বান জনায় যাতে অসমক দেশৰ অন্যতম শক্তিশালী ৰাজ্যলৈ ৰূপান্তৰিত কৰিব পৰা যায়। তেওঁ লগতে সকলোকে বিজ্ঞান শাখাত অধ্যয়নৰ বাবে উৎসাহিত কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিজ্ঞান মনস্ক ভাৱধাৰাৰ বীজ অংকুৰিত কৰিবলৈ আহ্বান জনায়। অন্যথা ৰাজ্যখনক আৰু ইয়াৰ জনসাধাৰণক সঁচা অৰ্থত পৰিৱৰ্তনমুখী কৰিবপৰা নাযাব বুলিও তেওঁ কয়।

মুখ্যমন্ত্ৰীয়ে মহাবিদ্যালয়খনৰ অধ্যাপকসকলক ডিব্ৰুগড়ৰ কমেও এখন বিদ্যালয়ক গ্ৰহণ কৰি তাত অন্তত মাহত এদিন কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে কটাবলৈ আহ্বান জনায় যাতে তেওঁলোকে উৎকৃষ্টতা প্ৰদৰ্শনৰ দিশত সাহস আৰু সহযোগিতা লাভ কৰে। মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনৰ ছাত্ৰ-ছাত্ৰীসকলক ইংৰাজী আৰু হিন্দী ভাষাত বাৰ্তালাপৰ জ্ঞান আহৰণ কৰাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে।

মুখ্যমন্ত্ৰীয়ে ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ চৌহদত এটি অত্যাধুনিক শীততাপ নিয়ন্ত্ৰিত প্ৰেক্ষাগৃহ স্থাপনৰ বাবে ৰাজ্য চৰকাৰৰ তৰফৰ পৰা ৫ কোটি টকাৰ অনুদান আগবঢ়াব বুলিও ঘোষণা কৰে। মুখ্যমন্ত্ৰীয়ে আজি মাইজান মথাউৰিৰ ভগ্ন অংশৰ চলি থকা মেৰামতিৰ বুজ লয়। তেওঁ লগতে ব্ৰহ্মপুত্ৰ ক্ৰেকাৰ আৰু পলিমাৰ লিমিটেড কোম্পানীৰ সামাজিক দায়বদ্ধতাৰ আঁচনিৰ অধীনত উপায়ুক্তৰ কাৰ্যালয় চৌহদত নিৰ্মাণ কৰা ড° ভূপেন হাজৰিকাৰ প্ৰতিমূৰ্তি এটা উন্মোচন কৰে। মুখ্যমন্ত্ৰীয়ে আজিৰে পৰা ডিব্ৰুগড়ৰ চৌকিদিঙ্গী খেলপথাৰত আৰম্ভ হোৱা সদৌ অসম আন্তঃ চাহ বাগিচা মহিলা ফুটবল প্ৰতিযোগিতাখনো উদ্বোধন কৰে।

আজিৰ এই অনুষ্ঠানত কেন্দ্ৰীয় পেট্ৰ'লিয়াম দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলী, উদ্যোগ মন্ত্ৰী বিমল বড়া, জলসম্পদ মন্ত্ৰী পীযুষ হাজৰীকা, শ্ৰম মন্ত্ৰী সঞ্জয় কিষাণ, বিধায়কসকল ক্ৰমে বিনোদ হাজৰিকা, প্ৰশান্ত ফুকন, তৰংগ গগৈ, চক্ৰধৰ গগৈ আৰু অন্যান্য গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

**আয়ন / পুঃডেঃ**
**১৬/১০/২০২২**